**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 06-11-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ অমৃত কলহ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০ টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হ'ব। উল্লেখযোগ্য যে 'মোৰ মাটি, মোৰ দেশ' কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্তেম্বৰৰ পৰা ৰাজ্যত অমৃত কলহ যাত্ৰাৰ ৰূপায়ণ কৰি প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি বা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল।

অমৃত কলহ অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নতুন আগমন প্ৰস্থান ভৱন মুকলি কৰিব আৰু নামৰূপৰ ১২ লাখ মেট্ৰিকটনৰ ইউৰিয়া আৰু এম'নিয়া উৎপাদন প্ৰকল্পৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীগৰাকী জানুৱাৰীত পুনৰ অসমলৈ আহিব আৰু গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰিব বুলিও ড° শৰ্মাই জানিবলৈ দিয়ে।

০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ গুৱাহাটীত এটা গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰাৰ লগতে এখন নতুন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমতী সীতাৰমণে প্ৰথমে উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু গেটৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে সেইদিনাই জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব।

শ্ৰীমতী সীতাৰমণে পৰহিলৈ বিশ্বনাথ জিলাৰ গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। ৰাজ্যৰ উচ্চশিক্ষা খণ্ডত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে নিৰ্মাণ কৰিবলৈ লোৱা এই বিশ্ববিদ্যালয়খন ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ কৰ্মস্থলী ভোলাগুৰিত ৭৪০ বিঘা ভূমি সামৰি নিৰ্মাণ কৰা হ'ব। বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি আধুনিক বিষয়সমূহ অন্তৰ্ভুক্ত হ'ব।

০০০০০০০

ৰাজ্যত আফ্ৰিকান ছোৱাইনফ্লুৰ সংক্ৰমণে সৃষ্টি কৰা পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমলৈ আহিছে। ৰাজ্যখনৰ কেইবাখনো জিলাৰ বিভিন্ন স্থানত এই ৰোগৰ সংক্ৰমণ ক্ৰমাৎ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মীন, পশুপালন, দুগ্ধ আৰু ভূপালৰ পশু ৰোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ দলটোৱে বিভিন্ন দিশ পৰ্যালোচনা কৰিব। দলটোৱে ধেমাজি, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত পৰিস্থিতিৰ বুজ লোৱাৰ সম্ভাৱনা আছে। প্ৰতিনিধিসকলে এই ৰোগৰ সংক্ৰমণৰ সকলো দিশ চালি-জাৰি চোৱাৰ পাছত ইয়াৰ নিয়ন্ত্ৰণৰ বাবে কৰ্ম পৰিকল্পনা যুগুত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক প্ৰতিবেদন দাখিল কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰায় ৩৬৩ টা স্থানত গাহৰিৰ দেহত এই ৰোগৰ সংক্ৰমণ হৈছে। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০২০ চনৰ পৰা ৰাজ্যখনত ৪৫ হাজাৰৰো অধিক গাহৰি এই ৰোগৰ ফলত মৃত্যুমুখত পৰিছে আৰু চাৰে ১২ হাজাৰৰো অধিক গাহৰি পালকৰ ক্ষতি হৈছে। অসমৰ উপৰি পঞ্জাৱ, হাৰিয়ানা, ওড়িশা আৰু চুবুৰীয়া ৰাজ্য মেঘালয়ৰ লগতে

উত্তৰ-পূৰ্বাঞ্চলৰ আন কেইবাখনো ৰাজ্যত এই ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বহিঃৰাজ্যৰ পৰা গাহৰিৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। ৰাজ্যখনত চলিত বছৰত এই ৰোগত আক্ৰান্ত হৈ প্ৰায় দুহেজাৰ ৫০০ টা গাহৰি মৃত্যুমুখত পৰিছে আৰু সুৰক্ষাজনিত ব্যৱস্থা হিচাপে প্ৰায় ছহেজাৰ গাহৰি নিধন কৰা হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

0000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদকৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি। এনে কেইগৰাকীমান প্ৰাক্তন সতীৰ্থৰ স্মৃতি ৰোমন্থনেৰে মুখৰিত হ'ব অহা শনিবাৰ ৮ নৱেম্বৰৰ নিশা আকাশবাণীৰ ষ্টুডিঅ'। সেইদিনা নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

ভাস্কৰজ্যোতি মহন্তই ৰাজ্যিক মুখ্য তথ্য আয়ুক্ত পদৰ পৰা অব্যাহতি লৈছে। তেওঁ ইতিমধ্যে ৰাজ্যপাললৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ পাছত ভাতৃ শ্যামকানু মহন্তৰ বিৰুদ্ধে কেইবাখনো আৰ টি আই আবেদন দাখিল কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে তদন্ত নিখুঁট হোৱাৰ খাতিৰত পদত্যাগ কৰিছে। ভাস্কৰজ্যোতি মহন্তই ২০২৩ চনত মুখ্য তথ্য আয়ুক্তৰ পদ গ্ৰহণ কৰিছিল।

0000000

**সমাপ্ত**